**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------

১। ৰাজ্যিক মন্ত্ৰীসভাৰ ২০২৫ বৰ্ষৰ প্ৰথমখন বৈঠকত ৰাজ্যবাসীৰ সামগ্ৰিক কল্যাণ আৰু বিকাশৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ।

২। গুৱাহাটী মহানগৰীক সেউজ কৰিড'ৰ হিচাপে গঢ়ি তোলাৰ ৰাজ্য চৰকাৰৰ পৰিকল্পনা।

৩। বসুন্ধৰা আঁচনিৰ তৃতীয় পৰ্যায়ৰ আবেদনৰ সময়সীমা ১০ জানুৱাৰীলৈ বৃদ্ধি।

৪। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰাৰ বাবে ভাৰতীয় ৰে'লৱেৰ গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত নতুন জন শতাব্দী এক্সপ্ৰেছ প্ৰৱৰ্তনৰ সিদ্ধান্ত। *আৰু*

৫। চিডনীত কাইলৈ ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল।

০০০০০

গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ২০২৫ বৰ্ষৰ ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজ্যবাসীৰ সামগ্ৰিক কল্যাণ আৰু বিকাশৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে কেইবাটাও প্ৰকল্পৰ বাবে মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন দিয়ে।

ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিকৰণ প্ৰক্ৰিয়া সৰল কৰাৰ উদ্দেশ্যে 'স্বাগত সতীৰ্থ' শীৰ্ষক এটা প'ৰ্টেলৰ জৰিয়তে সম্পাদনা কৰাৰ বাবে মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনায়। মন্ত্ৰীসভাৰ কালিৰ বৈঠকে ২০৭ কোটি ৯২ লাখ টকা ব্যয়সাপেক্ষে শিৱসাগৰ, ডিব্ৰুগড়, তেজপুৰ আৰু উত্তৰ লক্ষিমপুৰ নগৰত নগৰীয়া আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত সকলো ঘৰলৈ খোৱা পানী যোগানৰ আন এখন আঁচনিতো অনুমোদন জনায়। জন্ম-মৃত্যুৰ পঞ্জীয়ন ব্যৱস্থা অধিক সাৱলীল কৰাৰ বাবে অসম জন্ম-মৃত্যু পঞ্জীয়ন সংশোধনী নিয়মাৱলী ২০২৪ টো মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়।

০০০০০০

ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰীক সেউজ কৰিড'ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে পৰৱৰ্তী এটা বছৰত মহানগৰীত ডিজেলচালিত বাছসমূহৰ চলাচল পৰ্যায়ক্ৰমে বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিনটোত কালি জ্যেষ্ঠ সাংবাদিক আৰু নাগৰিকৰ সৈতে 'নতুন দিনৰ আলাপ' শীৰ্ষক এটা অনুষ্ঠানত অংশ লৈ এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে ৫৬ খন বৈদ্যুতিন বাছ অসম ৰাজ্যিক পৰিবহণ নিগমক অৰ্পন কৰিছে। ইয়াৰ ফলত মহানগৰীত চলাচল কৰা এনে বাছৰ মুঠ সংখ্যা ৩৫৬ হৈছে। প্ৰধানমন্ত্ৰী ই-বাছ সেৱাৰ অধীনত গুৱাহাটীত আৰু ১০০ খন বৈদ্যুতিন বাছৰ সেৱা আৰম্ভ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে গুৱাহাটীত ২০২৬ চনৰ

ভিতৰত ডিজেল চালিত বাছৰ সেৱা সম্পূৰ্ণৰূপে বন্ধ কৰা হ'ব আৰু গুৱাহাটী-নলবাৰী আৰু গুৱাহাটী-নগাঁৱৰ দৰে লাভজনক পথসমূহত এনে বাছ চলাচল কৰোৱা হ'ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এইদৰে কয় –

**-বাইট-**

০০০০০০

ৰাজ্য চৰকাৰে বসুন্ধৰা তৃতীয় পৰ্যায়ৰ আবেদনৰ সময়সীমা ১০ জানুৱাৰীলৈ বৃদ্ধি কৰিছে। কালি জাৰি কৰা এই অধিসূচনা অনুসৰি বসুন্ধৰা তৃতীয় পৰ্যায় প'ৰ্টেলত আবেদনকাৰীয়ে অহা ১০ জানুৱাৰীৰ মাজনিশালৈ আবেদন কৰিব পাৰিব। আবেদনকাৰীসকলে যাতে কোনো বাধাৰ সন্মুখীন নোহোৱাকৈ আবেদন কৰিব পাৰে এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তসকলক অধিসূচনাযোগে নিৰ্দেশ প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে তৃতীয় পৰ্যায়ৰ বসুন্ধৰাৰ বাবে ২০২৪ বৰ্ষৰ ১৫ অক্টোবৰত অধিসূচনা জাৰি কৰা হৈছিল। সেই অনুসৰি ২০২৪ বৰ্ষৰ ৩১ ডিচেম্বৰৰ মাজনিশা পৰ্যন্ত আবেদন দাখিল কৰাৰ সময়সীমা বান্ধি দিয়া হৈছিল।

০০০০০০

ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰাৰ বাবে ভাৰতীয় ৰে'লৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত এখন নতুন জন শতাব্দী এক্সপ্ৰেছ প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে, সপ্তাহত দুবাৰকৈ চলাচল কৰিবলগীয়া এই ৰে'লগাড়ীখনে পুৱা ৯ বাজি ৫০ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি বিয়লি ৪ বাজি ১৫ মিনিটত উত্তৰ লখিমপুৰ পাবগৈ আৰু বিয়লি ৫ বজাত উত্তৰ লখিমপুৰৰ পৰা যাত্ৰা কৰি নিশা ১১ বাজি ২৫ মিনিটত গুৱাহাটী পাবহি।

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীত এই ৰে'লগাড়ীখনৰ যাত্ৰাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। ইয়াৰ লগতে ৰে'লমন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া-নাহৰলগুএক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁৱ যাত্ৰীবাহী ৰে'লগাড়ী দুখনো পতাকা জোকাৰি শুভাৰম্ভ কৰিব। একেদিনাই মন্ত্ৰীগৰাকীয়ে তেতেলীয়াত নিৰ্মাণ কৰা এখন পথ অভাৰব্ৰীজো উদ্বোধন কৰিব। ইয়াৰ পাছত তথ্য আৰু সম্প্ৰচাৰ বিভাগৰো মন্ত্ৰী বৈষ্ণৱে ভাৰ্চুৱেল ব্যৱস্থাৰে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ নৱনিৰ্মিত এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০০০০

ৰে'লৱেই উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ প্ৰসাৰৰ বাবে মহাৰাষ্ট্ৰৰ ভূচাৱল আৰু গুৱাহাটীৰ মাজত ভাৰত গৌৰৱ ৰে'লৰ চলাচল আৰম্ভ কৰিছে। ০০১৩১ নম্বৰৰ এই ৰে'লগাড়ীখনে কালি পুৱা ৮ বজাত ভূচাৱলৰ পৰা যাত্ৰা আৰম্ভ কৰিছে। ৰে'লগাড়ীখন কাইলৈ পুৱা চাৰে ৭ বজাত গুৱাহাটীত উপস্থিত হ'ব। ৰে'লগাড়ীখনে ৪ জানুৱাৰীৰ সন্ধিয়া চাৰে ৬ বজাত গুৱাহাটীৰ পৰা ওভতনি যাত্ৰা আৰম্ভ কৰি ৭ জানুৱাৰীৰ পুৱা ৩ বাজি ৪০ মিনিটত ভূচাৱলত অনুষ্ঠিত হ'ব। এই ৰে'লগাড়ীখন নিউ বঙাইগাঁও, নিউ জলপাইগুৰি, কাটিহাৰ, বাৰাউনি, মাণিকপুৰ বিদিশা হৈ চলাচল কৰিব। ইয়াৰ উপৰি উত্তৰ-পূব সীমান্ত ৰে'লৱেই যাত্ৰীসকলৰ সুবিধাৰ্থে কেইখনমান ৰে'লৰ সময়সূচী সলনি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি ০৫৬৩৮ নম্বৰৰ শিলচৰ-নাহৰলগুন এক্সপ্ৰেছ ৰে'লগাড়ীখন ৬ জানুৱাৰীৰ পৰা ৩১ মাৰ্চলৈকে প্ৰত্যেক সোমবাৰে শিলচৰৰ পৰা দিনৰ ১ বাজি ১০ মিনিটত যাত্ৰা আৰম্ভ কৰি পিছদিনা পুৱা ৮ বাজি ৪০ মিনিটত নাহৰলগুনত উপস্থিত হ'ব। একেদৰে ০৫৬৩৭ নম্বৰৰ নাহৰলগুন শিলচৰ এক্সপ্ৰেছ ৰে'লগাড়ীখনে ৭ জানুৱাৰীৰ পৰা ১ এপ্ৰিল পৰ্যন্ত প্ৰত্যেক মঙলবাৰে নাহৰলগুনৰ পৰা পুৱা ১০ বজাত যাত্ৰা আৰম্ভ কৰিব আৰু পিছদিনা পুৱা ৫ বাজি ২০ মিনিটত শিলচৰত উপস্থিত হ'ব। ৰে'লগাড়ীখন যাত্ৰাৰ সময়ত নিউ হাফলং, লামডিং, ডিমাপুৰ, মৰিয়নি, নিউ

তিনিচুকীয়া, ধেমাজি আৰু হাৰমতিত ৰ'ব। ইপিনে, ০৫৬২৮ নম্বৰৰ আগৰতলা-গুৱাহাটী বিশেষ এক্সপ্ৰেছ ৰে'লগাড়ীখনে আজিৰ পৰা ২৭ মাৰ্চলৈকে প্ৰত্যেক বৃহস্পতিবাৰে আগৰতলাৰ পৰা সন্ধিয়া ৭ বজাত যাত্ৰা আৰম্ভ কৰি পিছদিনা পুৱা ৮ বাজি ৪৫ মিনিটত গুৱাহাটীত উপস্থিত হ'ব। ওভতনি যাত্ৰাত ০৫৬২৭ নম্বৰৰ গুৱাহাটী-আগৰতলা বিশেষ ৰে'লগাড়ীখনে প্ৰত্যেক শুকুৰবাৰে গুৱাহাটীৰ পৰা দিনৰ ১ বাজি ১৫ মিনিটত যাত্ৰা আৰম্ভ কৰিব আৰু পিছদিনা বিয়লি ৪ বাজি ১০ মিনিটত আগৰতলাত উপস্থিত হ'ব। ৰে'লগাড়ীখন আম্বাচা, নিউ কৰিমগঞ্জ, নিউ হাফলং, লামডিং আৰু চাপৰমুখ হৈ চলাচল কৰিব।

০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজিৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে কলাক্ষেত্ৰ ৰামধেনু উৎসৱৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ প্ৰথম দিনা কাইলৈ চৰকাৰী চাৰু-কাৰু আৰু কলা মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে চিত্ৰ ভাস্কৰ্য প্ৰদৰ্শন কৰিব। এই উৎসৱৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শিল্পীসকলে বৰঢোলৰ অনুষ্ঠান, চিত্ৰকলা, ভাস্কৰ্য আৰু ছপা ছবি কৰ্মশালা, নাগাৰা নাম, জনগোষ্ঠীয় লোকনৃত্য অনুষ্ঠান, পুতলা নাট, সত্ৰীয়া নৃত্যৰ লগতে আঁহত তলৰ ৰং শীৰ্ষক ভিন্নসুৰী গীত-মাতৰ অনুষ্ঠানৰো আয়োজন কৰা হৈছে। শনিবাৰে শিক্ষাৰ্থীসকলৰ মাজত দেশপ্ৰেমমূলক কবিতা আবৃত্তি প্ৰতিযোগিতা আয়োজিত হ'ব। তদুপৰি দেওবাৰলৈ চেমনীয়াসকলৰ বাবে মৌ মেল তথা থলুৱা খাদ্যৰ প্ৰতিযোগিতা আয়োজনৰ দিহা কৰা হৈছে।

০০০০০০

অসম আৰক্ষীয়ে সন্ত্ৰাসবাদী গোটসমূহ উৎখাত কৰাৰ বাবে ৰাষ্ট্ৰীয় তদন্ত সংস্থা আৰু চোৰাংচোৱা সংস্থাৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত বিগত কেইটামান মাহত বিভিন্ন উগ্ৰপন্থী সংগঠনৰ ২৩ জন সদস্য গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে কেইজনমান উগ্ৰবাদীক পশ্চিমবংগ আৰু কেৰালাসহ অন্য ৰাজ্যৰ পৰাও গ্ৰেপ্তাৰ কৰা বুলি তেওঁক জানিবলৈ দিয়ে। বাংলাদেশৰ অশান্ত পৰিস্থিতিৰ বাবে চুবুৰীয়া ৰাষ্ট্ৰখনৰ পৰা হিন্দু ধৰ্মাৱলম্বী ভালেসংখ্যক লোকে ৰাজ্যত প্ৰৱেশ কৰা বুলি ওলোৱা বাতৰি খণ্ডন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে সুৰক্ষা বাহিনীয়ে বিগত ৫টা মাহত ৰাজ্যৰ কোনো অংশৰ হিন্দু বাংলাদেশী অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰা নাই।

০০০০০০

বিশিষ্ট কথাশিল্পী সৌৰভ কুমাৰ চলিহা অনুৰাগী সমাজৰ উদ্যোগত কালি বিয়লি গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ এলামনায় হলত আয়োজিত **সৌৰভ কুমাৰ চলিহাৰ কাহিনীত শৈলীগত সুক্ষ্মতা** শীৰ্ষক বক্তৃতা প্ৰদান কৰে বিশিষ্ট লেখক তথা সাংবাদিক অৰূপ কুমাৰ দত্তই। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সৌৰভ কুমাৰ চলিহা চৰ্চাৰ বক্তৃতা সংকলন **ভাল খবৰৰ বৰ্ণমালা** উন্মোচন কৰে বিশিষ্ট বিজ্ঞান লেখক তথা বিজ্ঞানী ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে। তেওঁৰ মূল বক্তৃতাত অধ্যাপক অৰূপ কুমাৰ দত্তই নগৰীয়া জীৱনৰ চমৎকাৰ প্ৰকাশ সৌৰভ চলিহাৰ গল্পত ঘটিছিল বুলি উল্লেখ কৰে আৰু তেওঁৰ গল্প ইংৰাজী ভাষাত লিখাহেঁতেন সৌৰভ চলিহাক অসমীয়া লেখক বুলি ধৰিব পৰা নগ'লহেঁতেন বুলি মন্তব্য কৰে।

০০০০০০

তিনিচুকীয়াত পৰিৱেশ সুৰক্ষা সমিতি অসমৰ উদ্যোগত তৃতীয় বাৰ্ষিক গছপুলি প্ৰতিপালন দিৱস আয়োজন কৰা হয়। কাৰ্যসূচী অনুসৰি তিনিচুকীয়া পৌৰসভাৰ ঘৰে ঘৰে পেলনীয়া সামগ্ৰী সংগ্ৰহ কৰি নিৰ্দিষ্ট স্থানত পেলাই চহৰখনৰ স্বচ্ছতাত বিশেষ অৰিহণা যোগাই অহা চাফাই কৰ্মীক সম্বৰ্ধনা জনোৱা হয়। জিলাখনত বছৰজোৱা কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হ'ব বুলি পৰিৱেশ সুৰক্ষা সমিতিৰ সভাপতি উল্লেখ কৰে।

০০০০০০

বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে কালি বিজনী মহকুমা পুথিভঁৰালত ই-পুথিভঁৰাল আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত চিৰাঙৰ জিলা আয়ুক্ত যতীন বৰা, সহ-জিলা আয়ুক্ত ফিৰোজ আলম, বিজনীৰ মহকুমাধিপতি কৃতি চেছৰা আৰু বিজনী পৌৰ সভাৰ সভাপতি গুণেশ্বৰ গয়াৰীসহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ক দেশৰ ভিতৰত অগ্ৰণী কৃষি শিক্ষানুষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে বিশেষ পৰিকল্পনা লোৱা হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই কালি বিশ্ববিদ্যালয় পৰিয়ালৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰযুক্তি কৌশল উদ্ভাৱন আৰু সেই সময়ৰ বাণিজ্যিকীকৰণৰ জৰিয়তে লাভ অৰ্জন কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। বিগত বৰ্ষত তিনিটা নতুন জাত, ৬৫টা এনে প্ৰযুক্তি কৌশলৰ উদ্ভাৱন আৰু ৪টা পেটেণ্ট লাভ কৰি বিশ্ববিদ্যালয়খনে সফলতা অৰ্জন কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। ড° ডেকাই কয়, যে উদ্ভাৱনী দক্ষতা বৃদ্ধিৰ বাবে নতুন ষ্টাৰ্টআপ আৰম্ভ কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয়, যে বিশ্ববিদ্যালয়খনৰ উদ্ভাৱনৰ ভিতৰত ১৯ বিধ সামগ্ৰী অনলাইনযোগে দেশ-বিদেশৰ লোকে পাব পৰাকৈ ব্যৱস্থা লোৱা হৈছে।

০০০০০০

প্ৰতিখন বাতৰি কাকতে বহুকেইটা গুৰুত্বপূৰ্ণ বাতৰি আজি প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক অসম** বাতৰি কাকতে ৰাজ্য চৰকাৰৰ এক লাখ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্পৰ জৰিয়তে অসম ১০ লাখ টকা অৰ্থনীতিৰ ৰাজ্য হোৱাৰ দিশত অগ্ৰসৰ হোৱা বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতখনে ASSAM TO BE RS.10 LAKH CR ECONOMY BY 2028 : CM আৰু **দা ছেণ্টিনেল** কাকতখনে ASSAM SET TO BE A MILLION CRORE ECONOMY BY 2028 : CM শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতখনে **অসমবাসীলৈ একাধিক সুসংবাদেৰে নৱবৰ্ষৰ আৰম্ভণি** শিৰোনামেৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিগত বৰ্ষৰ সাফল্যৰ খতিয়ান আৰু ২০২৫-ত চৰকাৰৰ দায়িত্ব আৰু প্ৰতিশ্ৰুতিৰ কথা প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। পহিলা জানুৱাৰীত বিদ্যুৎ মাচুল হ্ৰাস কৰাৰ মুখ্যমন্ত্ৰীৰ ঘোষণাৰ কথা আমাৰ অসম কাকতখনে **ডেৰ টকাকৈ হ্ৰাস পাব বিদ্যুৎ মাচুল** শিৰোনামেৰে বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে। নিয়মীয়া বাৰ্তা কাকতখনে তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ পাৰস্পৰিক বদলিৰ বাবে **স্বাগত সতীৰ্থ প'ৰ্টেল** মুকলিৰ বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰে। দেশৰ বিভিন্ন ৰাজ্যত অসমৰ আধাৰ কাৰ্ডসহ অবৈধ বাংলাদেশী নাগৰিক ধৰা পৰাৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতখনে **অসমৰ আধাৰ লৈ দেশজুৰি বাংলাদেশী** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। খানাপাৰাত নতুন আই এছ বি টি আৰু পৰিৱেশ অনুকূল ৫৬ খন বাছৰ সেৱা মুকলি হোৱা বাতৰিটো দৈনিক জনমভূমি কাকতখনে **ইলেকট্ৰিক বাছ ঃ দেশৰ ষষ্ঠ স্থানত অসম** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতখনে **ৰাজ্যক ঋণগ্ৰস্ত কৰি নতুন অসমৰ স্বপ্ন মুখ্যমন্ত্ৰীৰ** শিৰোনামেৰে ২০২৩-২৪ বিত্তীয় বৰ্ষত অসম চৰকাৰৰ ঋণৰ কথা প্ৰকাশ কৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলৈ চিডনীত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ৫ বজাত আৰম্ভ হ'ব। সম্প্ৰতি ২-১ ফলাফলত পিছপৰি থকা ভাৰতে এই খেলখনত জয়লাভ কৰি শৃংখলাত সমতা স্থাপনৰ বাবে চেষ্টা চলাব।

০০০০০০

বতৰৰ বতৰা- ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি আৰু কাইলৈ পুৱতি নিশা আৰু পুৱা অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বিভিন্ন অঞ্চলক ডাঠ কুঁৱলীয়ে আৱৰি ৰাখিব বুলি প্ৰকাশ কৰিছে। আনহাতে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যক কুঁৱলীয়ে আৱৰি থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৫ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ।

০০০০০০

সমাপ্ত